# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২২ চনৰ ২৮ জানুৱাৰী তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা প্ৰাপ্ত খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ স্বয়ং সম্পূৰ্ণ গুণাৱলীৰ স্মৃতিচাৰণ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ গুণাৱলীৰ স্মৃতিচাৰণ মূলক বৰ্ণনা আগৰে পৰাই চলি আছে, আজিও তেখেত (ৰাঃ)ৰ বিষয়েই বৰ্ণনা কৰা হ'ব। হামৰাউল আছাদৰ যুদ্ধ সম্পৰ্কে লিখা আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে শনিবাৰ দিনাখন উহুদৰ পৰা ওভতি অহাৰ পিছদিনাখনেই ৰাতিপুৱা হজৰত আব্দুল্লাহ বিন উমৰু বিন অউফ মজনিয়ে আহি আঁ-হজৰত (ছাঃ)ক কুৰাইছ সকলৰ আকৌ আক্ৰমণৰ প্ৰস্তুতি লোৱা সম্পৰ্কে খবৰ দিয়ে। উক্ত খবৰ শুনি আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ সৈতে পৰামৰ্শ কৰি শত্ৰুক বাধা দিয়াৰ নিমিত্তে সিদ্ধান্ত গ্ৰহণ কৰে আৰু ঘোষণা কৰি দিয়ে যে, আমাৰ লগত সেই সকল লোকেই যাব, যি সকলে পাৰ হৈ যোৱা যুদ্ধত অংশ গ্ৰহণ কৰিছিল। সেই মুহূৰ্ততেই আঁ-হজৰত (ছাঃ)য়ে নিজৰ পতাকা খন হজৰত আলি (ৰাঃ), আন এটা ৰিৱায়ত অনুসৰি হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত গতাই দিয়ে। মুছলমান সকলৰ এই জামাত তেতিয়া মদিনাৰ পৰা গৈ আঠ মাইল মান দূৰত অৱস্থিত হামৰাউল আছাদ নামক ঠাইত উপস্থিত হৈছিল মাত্ৰ এনেতে মুশৰিকিনৰ দলটোৱে ভয়তে মদিনাৰ আশা ত্যাগ কৰি মক্কাৰ ফালে ওলটি যাত্ৰা কৰিছিল।

চাৰি হিজৰিত বনু নজিৰৰ যুদ্ধ সংগঠিত হৈছিল। নবী কৰিম (ছাঃ)য়ে দহ জন চাহাবা লগতে হজৰত আবু বক্কৰ (ৰাঃ)ক লৈ বনু আমৰৰ দুজন মৃতকৰ জৰিমনা আদায় কৰিবলৈ ইহুদী সকলৰ ওচৰলৈ যোৱাত তেওঁলোকে আঁ-হজৰত (ছাঃ)ক ভোজনেৰে আপ্যায়ন কৰে। হুজুৰ (ছাঃ)ক এখন দেৱালৰ ওচৰত বহিবলৈ দিয়ে আৰু ইহুদী সকলে ষড়যন্ত্ৰ কৰে যে আঁ-হজৰত (ছাঃ)ক শেষ কৰি দিয়াৰ ইয়াতকৈ আৰু উত্তম সুযোগ পোৱা নাযায়। তেওঁলোকে সিদ্ধান্ত লয় যে আঁ-হজৰত (ছাঃ)য়ে তাত বহি থাকোতেই উমৰু বিন জাহাশে ঘৰৰ চালেৰে উঠি গৈ

এটা ডাঙৰ পাথৰ তেখেত (ছাঃ)ৰ ওপৰত পেলাব। ছালাম বিন মুশকাম নামক চৰদাৰ এজনে ইহুদী সকলক এনে ষড়যন্ত্ৰৰ পৰা দূৰত থাকিবলৈ পৰামৰ্শ দি কৈছিল যে এয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰা কথা আৰু যি পৰিকল্পনা তোমালোকে কৰি আছা, এই খবৰ তেখেত পাই যাব। পিছত তেনেকুৱা হৈছিল আৰু আঁ-হজৰত (ছাঃ)ৰ ওচৰত আচমানৰ পৰা খবৰ আহি পৰিছিল। তেতিয়া হুজুৰ (ছাঃ)য়ে তৎক্ষণাত নিজৰ বহি থকা ঠাইখিনিৰ পৰা উঠি গৈছিল আৰু নিজৰ লগৰীয়া সকলক তাতে এৰি বেগেৰে মদিনালৈ গুচি আহিছিল। মদিনাত আহি তেখেত (ছাঃ)য়ে হজৰত মহম্মদ বিন মুছলামহাক এই খবৰ দি বনু নজিৰৰ ওচৰৰ পঠাই দিছিল যে তোমালোকে মোৰ সৈতে বিশ্বাস ঘাতকতা কৰিছা গতিকে তোমালোকে মোৰ এই চহৰৰ পৰা ওলাই যোৱা। অৰ্থাৎ তোমালোকে যি পৰিকল্পনা হাতত লৈছিলা সেয়া এক বিশ্বাস ঘাতকতা। এই আদেশ পঠাই আঁ-হজৰত (ছাঃ)য়ে ইহুদী সকলক ওলাই যাবলৈ দহ দিন সময় দিছিল; কিন্তু ইহুদী সকলে এই আদেশ অমান্য কৰি ঘূৰাই উত্তৰ দিছিল যে আমি নিজৰ জন্মস্থান (স্বদেশ) এৰি কতো নাযাওঁ। এই উত্তৰ শুনি আঁ-হজৰত (ছাঃ)য়ে বনু নজিৰৰ দুৰ্গ ঘেৰাও কৰি লয়। এনে সন্নিক্ষণত কোনেও তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি নাহে। খোদা তা'লায় ইহুদী সকলৰ অন্তৰত এনেকুৱা ভয় সঞ্চাৰ কৰি দিয়ে যে অৱশেষত তেওঁলোকে উচ্ছেদ হৈ যাবলৈ বাধ্য হয়। ৰছুলুল্লাহ (ছাঃ)য়ে আনছাৰ সকলৰ অনুমতি ক্ৰমে বনু নজিৰৰ যুদ্ধলব্দ ধন মাল মুহাজেৰিণ সকলৰ মাজত বণ্টন কৰি দিয়ে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছল যে, হে আনছাৰৰ জমাত ! আল্লাহ তোমালোকক উত্তম পুৰুস্কাৰেৰে ভুষিত কৰক।

বদৰুল মুৱায়েদৰ যুদ্ধ চাৰি হিজৰীত সংগঠিত হৈছিল। আবু ছুফিয়ানে উহুদৰ পৰা ওভতি আহোতে ঘোষণা কৰিছিল যে অহা বছৰ আমাৰ লগত বদৰুল ছফৰা নামক স্থানত দেখাদেখি হ'ব, আমি তাত যুদ্ধ কৰিম। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক কৈছিল যে তাক কৈ দিয়া ইনশা আল্লাহ ঠিক আছে। বদৰ মদিনাৰ পৰা দক্ষিণ পশ্চিম ফালে ১৫০ কি:মি: মান আঁতৰত অৱস্থিত এখন ঠাই। অজ্ঞতাৰ যুগত এই ঠাইখনত প্ৰত্যেক বছৰ ১ জিলকাদাৰ পৰা আঠ দিন লৈকে মেলা অনুষ্ঠিত হোৱা কৰিছিল। অহা বছৰটোত যেতিয়া এই মেলাৰ সময় ওচৰ চাপি আহে তেতিয়া আবু ছুফিয়ানে মুছলমানৰ সৈতে যুদ্ধ কৰিবলৈ ভয় কৰা আৰম্ভ কৰে কিন্তু চতুৰালি কৰি গোটেই আৰৱত এই বাতৰি প্ৰচাৰ কৰে যে তেওঁ মুছলমান সকলৰ লগত যুঁজিবলৈ এক ডাঙৰ ফৌজ সাজু কৰি আছে; যাতে মুছলমান সকলে এই খবৰ শুনি ভয় খায় আৰু যুদ্ধলৈ আগবাঢ়ি নাহে। আন এটা ৰিৱায়ত অনুসৰি হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হয় আৰু নিবেদন কৰে যে ইয়া ৰছুলুল্লাহ (ছাঃ)! আল্লাহ তা'লা নিজৰ ধৰ্মক বিজয় দান কৰিব,নিজৰ নবী কৰিম (ছাঃ)ক সন্মানিত কৰিব। আমি সম্প্ৰদায়ৰ সৈতে প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো আৰু আমি সেয়া ভঙ্গ কৰাটো ভাল নাপাওঁ। কাফিৰ সকলে সেয়া ভীৰুতা বুলি গণ্য কৰিব। আপুনি প্ৰতিশ্ৰুতি অনুযায়ী যাত্ৰা কৰক। খোদাৰ শপত ! তাতেই নিশ্চয় কল্যাণ নিহিত আছে। এনেকুৱা আগ্ৰহী কথা শুনি আঁ-হজৰত (ছাঃ)য়ে বৰ আচৰিত হৈছিল। ইয়াৰ পিছতেই আঁ-হজৰত (ছাঃ)য়ে পোন্ধৰ শ মান চাহাবা লগতলৈ বদৰ প্ৰান্তলৈ যাত্ৰা কৰিছিল; কিন্তু আবু ছুফিয়ানে সৈন্য লৈ তালৈ নাহে। হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে ইছলামী সৈন্য আঠ দিন মান বদৰ প্ৰান্তত অৱস্থান কৰি তাত অনুষ্ঠিত হোৱা মেলাত ব্যৱসায় কৰি লাভবান হৈছিল। ইমানেই যে তেখেত সকলৰ ধনমাল দ্বিগুণ হৈ গৈছিল।

পাঁচ হিজৰী চনৰ শ্বাবান মাহত বনু মুস্তালিকৰ সৈতে যুদ্ধ সংগঠিত হৈছিল। এই যুদ্ধৰ আন এটা নাম হ'ল মৰিছিয়াৰ যুদ্ধ। আঁ-হজৰত (ছাঃ)য়ে খবৰ পাইছিল যে বনু মুস্তালিকে মুছলমান সকলৰ ওপৰত আক্ৰমণ

চলোৱাৰ সিদ্ধান্ত লৈছে। এই খবৰ শুনি আঁ-হজৰত (ছাঃ)য়ে সাত শ মান চাহাবাক লগত লৈ সিহঁতৰ ফালে আগবাঢ়ি যায়। এটা ৰিৱায়ত অনুসৰি সেই যুদ্ধত অংশ লোৱা মুহাজেৰিণ সকলৰ পতাকা আবু বক্কৰ (ৰাঃ)ৰ হাতত দিয়া হৈছিল। দুৰ্নামৰ ঘটনা অৰ্থাৎ হজৰত আয়শা বিনতে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওপৰত মুনাফিক সকলে এক অপযশ আৰোপ কৰাৰ ঘটনা মুস্তালিকৰ পৰা ওভতি অহাৰ বাটত সংগঠিত হৈছিল। ছহী বুখাৰীত হজৰত আয়শা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে যুদ্ধৰ পৰা ওভতি অহাৰ বাটত ৰাতি হজৰত আয়শা (ৰাঃ)য়ে মলত্যাগ কৰিবলৈ যায়। যেতিয়া তাই মলত্যাগ কৰাৰ পিছত ওভতি আহে তেতিয়া দেখিবলৈ পায় যে তাইৰ মুকুতাৰ হাৰ ডাল হেৰাই গৈছে। তাই লগে লগে সেই হাৰ ডাল বিচাৰি যায় কিন্তু ঘূৰি আহি দেখিবলৈ পায় যে তাৰ পৰা সৈন্যদল গুচি গৈছে। চফুৱান বিন মুৱাতল জাকুৱানি সকলোৰে পিছত ৰাওনা হৈ আছিল সেয়ে তেখেতে হজৰত আয়শা (ৰাঃ)ক তাতে দেখা পাই সন্মানেৰে সৈতে উটৰ পিঠিত উঠোৱাই লৈ আহি সৈন্যদলক লগ ধৰে। মদিনাত আহি হজৰত আয়শা (ৰাঃ) বেমাৰত পৰে আৰু ইফালে মুনাফিক সকলে বিভিন্ন ধৰণৰ চৰ্চা গাবলৈ আৰম্ভ কৰে; অৰ্থাৎ হজৰত আয়শা (ৰাঃ)ৰ বিষয়ে মিছা ৰটনা তুলে। হজৰত আয়শা (ৰাঃ)য়ে কয় যে মই সেই বিলাক কথাৰ একো গম পোৱা নাছিলো কিন্তু মই নৰিয়া পাটীত এই বিষয়ে চিন্তিত হৈ পৰিছিলোঁ যে মই নবী কৰিম (ছাঃ)ৰ মাজত সেই মৰম দেখিবলৈ পোৱা নাছিলো। যেতিয়া হজৰত আয়শা (ৰাঃ)য়ে নিজৰ বিষয়ে চৰ্চিত কথাবোৰৰ বিষয়ে গম পাইছিল তেতিয়া তাইৰ বেমাৰ আৰু বাঢ়ি গৈছিল। গতিকে হজৰত আয়শা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ অনুমতি লৈ নিজৰ পিতৃ গৃহলৈ গুচি আহে। হুজুৰ (ছাঃ)য়ে হজৰত আছমা বিন জায়েদ (ৰাঃ)ক আৰু হজৰত আলি (ৰাঃ)ৰ পৰা এই বিষয়ে পৰামৰ্শ লয়। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মই গোটেই ৰাতি কান্দিছিলো,মোৰ চকুলো বৈ গৈছিল, মোৰ টোপনি ধৰা নাছিল। এনেদৰে এমাহ পাৰ হৈ যোৱাৰ পিছত এদিন ৰছুলুল্লাহ (ছাঃ)য়ে কয় যে হে আয়শা ! যদি তুমি নিৰ্দোষী হোৱা তেন্তে আল্লাই নিশ্চয় তোমাৰ শুদ্ধতা প্ৰকাশ কৰিব আৰু যদি তুমি কোনো ভুল কৰি পেলাইছা তেন্তে আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰা আৰু তৌবা কৰা। হজৰত আয়শা (ৰাঃ)য়ে নিজৰ পিতৃ-মাতৃক মনে মনে থকা দেখি কৈছিল যে খোদাৰ শপত ! মই বুজি পাইছো সেই কথাবোৰ আপোনালোকৰ মনত দুঃখ দিছে। মই নিজৰ আৰু আপোনালোকৰ উদাহৰণ ইউচুফ (আঃ)ৰ পিতৃৰ দৰে দেখিবলৈ পাইছো; যিয়ে কৈছিল যে,

فَصَبْرٌ جَمِيْلٌ ۖ وَاللّٰهُ الْمُسْتَعَانُ عَلٰى مَا تَصِفُوْنَ

অৰ্থাৎ ভালদৰে ধৈৰ্য ধাৰণ কৰাটোৱে মোৰ বাবে উপযুক্ত হ'ব আৰু যিবিলাক কথা তোমালোকে বৰ্ণনা কৰি আছা সেইবোৰ খণ্ডনাৰ্থে আল্লাহৰ সহায় প্ৰাৰ্থনা কৰিব পাৰো। ইয়াৰ ক্ষন্তেক পিছতেই হুজুৰ (ছাঃ)ৰ ওপৰত ওহী অৱতীৰ্ণ হৈছিল আৰু যেতিয়া ওহীৰ অৱস্থা ক্ৰমান্বয়ে দূৰ হ'বলৈ লৈছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে মিচিকিয়াইছিল আৰু কৈছিল হে আয়শা ! আল্লাহৰ শলাগ লোৱা যিজনাই তোমাৰ পৱিত্ৰতা প্ৰকাশ কৰি দিছে। হজৰত আয়শা (ৰাঃ)ৰ মাকে কৈছিল যে হে আয়শা ! উঠা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ যোৱা। হজৰত আয়শা (ৰাঃ)য়ে কৈছিল নহয়; আল্লাহৰ কছম ! মই তেখেত (ছাঃ)ৰ ওচৰত নাযাওঁ আৰু আল্লাহৰ বাহিৰে কাৰো শলাগ নলওঁ।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে মছতাহ বিন আছাছাক নিজৰ আত্মীয় হোৱা কাৰণে তাৰ খৰচ বহন কৰি আহিছিল। যেতিয়া আল্লাহ তা'লায় হজৰত আয়শা (ৰাঃ)ৰ পৱিত্ৰতা ঘোষণা কৰি দিয়ে তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কছম খাইছিল যে তেখেত (ৰাঃ)য়ে ভৱিষ্যতলৈ আৰু মুছতাহা বিন আছাছাক খৰচ হিচাপে একো নিদিয়ে। এই বিষয়ে আল্লাহ তা'লা এই আয়াত অৱতীৰ্ণ কৰি দিয়ে যে তোমালোকৰ মাজত চাহাবে ফজিলত আৰু

চাহাবে তৌফিক নিজৰ আত্মীয়জনক আৰু মিছকিনক আৰু আল্লাহৰ বাটত খৰচ কৰোঁতা সকলক একো নিদিয়ালৈ শপত নল'বা।এই আয়াত নাযিল হোৱাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুছতাহা বন আছাছাৰ খৰচ আকৌ দিবলৈ লৈছিল।

হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে যে খোদা তা'লা নিজৰ চৰিত্ৰত এয়া অংকিত ৰাখিছে যে সি ধমকি ভৰা ভৱিষ্যবাণীক তওবা, ইস্তেগফাৰ আৰু দোৱাৰ আৰু ছাদকা আদিৰ জৰিয়তে সলনি কৰি দিয়ে। ঠিক তেনেকৈ মানৱকও সি এই চৰিত্ৰ শিক্ষা দিছে। যেনেকৈ কোৰ-আন চৰিফ আৰু হাদিছৰ পৰা প্ৰমাণিত হয় যে হজৰত আয়শা (ৰাঃ)ৰ সম্পৰ্কে মুনাফিক সকলে যি দুৰ্নাম ৰটনা কৰিছিল; সেই ঘটনাৰ লগত কিছুমান সজ প্ৰবৃত্তিৰ চাহাবাও জৰিত হৈ গৈছিল অৰ্থাৎ মুখ বাগৰা কথাত কাণ দিছিল। এনে চাহাবা সকলৰ ভিতৰত এজন চাহাবা এনেকুৱাও আছিল যে তেওঁ হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঘৰত দুসাজ ৰুটি খাই জীৱন ধাৰণ কৰিছিল তাৰ আৰু বেলেগ উপাৰ্জনাৰ উপায় নাছিল। হজৰত আবু বক্কৰ (ৰাঃ) য়ে সেই চাহাবা জনৰ এনে ভুলৰ কাৰণে শপত লৈছিল যে তেখেত (ৰাঃ)য়ে তাক খাবলৈ ৰুটি নিদিয়ে। এয়াই হ'ব তাৰ ভুলৰ শাস্তি। এই পৰিকল্পনাৰ ওপৰতেই আল্লাহ তা'লা এই আয়াত অৱতীৰ্ণ কৰে (অৰ্থ- আৰু উচিত যে সি দয়াৰে সৈতে কাম কৰে আৰু ক্ষমা কৰি দিয়ে, কিয় তোমালোকে নিবিৰানে যে আল্লাহ তোমালোকৰ ভুলক মাফ কৰি দিয়ে; আৰু আল্লাহ বহুত ক্ষমাশালী আৰু দয়ালু। ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ শপত এৰি দি সেই লোকজনক নিয়মিত ৰুটি প্ৰদান কৰি থাকিছিল। হজৰত মছিহ মাওউদ (আঃ)য়ে কৈছে এই সুত্ৰেই ইছলামী বৈশিষ্ট্যত এয়া সন্নিবিষ্ট হৈছে যে যদি শাস্তি হিচাপে কোনো শপত লোৱা হয় আৰু পিছত কোনো কাৰণত সেয়া ভঙ্গ কৰাটো উত্তম চৰিত্ৰৰ অৰ্ন্তভুক্ত। উদাহৰণ স্বৰূপ, যদি কোনোৱে নিজৰ সেৰকৰ বিৰুদ্ধে শপত লয় যে মই তেওঁক পঞ্চাচটা মান জুতাৰ কোব দিম আৰু পিছত গৈ সেই লোকজনৰ কাকুতি মিনতি আৰু তওবাৰ ফলত তাক ক্ষমা কৰি দিয়াটো ছুন্নতে ইছলামৰ অন্তৰ্ভুক্ত। তাতে সেই সৃষ্টি জীৱত আল্লাহৰ দৰে প্ৰতিশ্ৰুতি সলনি কৰাৰ গুণাৱলী প্ৰস্ফুটিত হয়। কিন্তু প্ৰতশ্ৰুতি (অঙ্গীকাৰ) ভঙ্গঁ কৰা জায়েজ নহয়। প্ৰতিশ্ৰুতি ভঙ্গৰ ওপৰত প্ৰশ্ন উঠিব কিন্তু শাস্তি এৰি দিয়াত কোনো প্ৰশ্ন নহ'ব।

কুৰাইছে মক্কা আৰু মুছলমান সকলৰ মাজত তৃতীয়খন ডাঙৰ যুদ্ধ অৰ্থাৎআহযাবৰ যুদ্ধ পাঁচ হিজৰি চনৰ শ্বোৱাল মাহত সংগঠিত হৈছিল। বনু নজিৰৰ ইহুদী সকলক উচ্ছেদ কৰি দিয়াৰ পিছত তেওঁলোকে খয়বৰলৈ গুচি গৈছিল। তাতে গৈ সিহঁতে কুৰাইছে মক্কা আৰু আন্যান্য আৰৱ কবিলা বিলাকৰ সৈতে চুক্তিপত্ৰ সাব্যস্ত কৰে আৰু দহ হেজাৰমান সৈন্যৰ এটা বাহিনী সাজু কৰি তুলে। যেতিয়া এই খবৰ আঁ-হজৰত (ছাঃ)য়ে শুনিবলৈ পায় তেতিয়া তেখেত (ছাঃ)য়ে এটা পৰামৰ্শ সভা পাতে আৰু হজৰত ছলমান ফাৰ্ছী (ৰাঃ)ৰ পৰামৰ্শ অনুযায়ী মদিনাৰ উত্তৰ ফালে থকা মুকলি ঠাইখিনিত প্ৰায় 3½ মাইল জুৰি দীঘলীয়া খাৱৈ ছয় দিনৰ ভিতৰত খান্দি দিয়ে। এই খাৱৈ খন্দা কামত কোনো মুছলমানেই অংশ গ্ৰহণ কৰাটো বাদ দিয়া নাছিল। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)য়ে টুকুৰি বিচাৰি পোৱা নাছিল তেতিয়া নিজৰ কাপোৰেৰে মাটি কঢ়িয়াই লৈ নি ঢালিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে মুছলমান সকলৰ এটা অংশৰ কামৰ নিৰীক্ষণ কৰি আছিল। পিছত গৈ সেই ঠাইখিনিত এটা মছজিদ বনোৱা হয়, যি মছজিদ খনক মছজিদ ছিদ্দিক নাম দিয়া হৈছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰমা মোবাৰকা বেগম চাহিবা, পত্নী মুখতাৰ আহমদ গোন্দল চাহাব, মকৰম মীৰ আব্দুল ওৱাহেদ চাহাব আৰু মকৰম ছৈয়দ ৰকাৰ আহমদ চাহাব (আমেৰিকা)ৰ চমু পৰিচয় আগবঢ়ায় আৰু নমাজে জানাজা পঢ়াৰ

ঘোষণা কৰে। হুজুৰ আনোৱাৰ (আইঃ)য়ে সকলো মৰহুমিনৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে। আল্লাহ্ তা'লা সকলো মৰহুমিনৰ মৰ্যাদা উন্নীত কৰক। আমিন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 28 JAN 2022**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**